# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-OCT-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আজি শদিয়া বিধানসভা সমষ্টিৰ প্ৰায় ২৭ হাজাৰ আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক প্ৰদান।

২। উত্তৰ লখিমপুৰৰ খেলমাটিত ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ড০ ভূপেন হাজৰিকাৰ এটা ১৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি মুখ্যমন্ত্ৰীৰ উন্মোচন।

৩। আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ দেহাৱসান। কাইলৈ ডিব্ৰুগড়ত তেওঁৰ জানাজা।

৪। ৰাজ্যত ২০০৮ চনৰ ৩০ অক্টোবৰত সংঘটিত উগ্ৰপন্থীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৭ বছৰ পূৰ্তিত ঘটনাৰ বলিসকলক সোঁৱৰণ। ***আৰু***

৫। মহিলা আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি ভাৰতৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ তিনিশতাধিক ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ।

০০০০০

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ আজি আগবেলা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ। যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হোৱা চৈয়দ ছাদুল্লাক উন্নত চিকিৎসাৰ বাবে কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল আৰু আজি দিনৰ প্ৰায় চাৰে ১০ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

১৯৪৮ চনৰ ১ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ নালিয়াপুলত জন্মগ্ৰহণ কৰা চৈয়দ ছাদুল্লা শৈশৱৰে পৰা বিভিন্ন বাদ্যযন্ত্ৰত পাৰদৰ্শী হৈ উঠে আৰু পৰৱৰ্তী কালত গীতাৰ বাদক হিচাপে তেওঁ প্ৰসিদ্ধি লাভ কৰে। যোৱা শতিকাৰ সপ্তম দশকত ডিব্ৰুগড়ৰ কেইগৰাকীমান যুৱকে **দ্য কুইভাৰ্ছ** নামৰ উজনি অসমৰ প্ৰথমটো বেণ্ডৰ জন্ম দিয়ে। এই কুইভাৰ্ছৰ অন্যতম সদস্য আছিল চৈয়দ ছাদুল্লা। ১৯৭১ চনৰ পৰা ১৯৭৫ চনলৈ তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাৰে অংশকালীন ঘোষকৰূপে সেৱা আগবঢ়ায়। ইয়াৰ পাছত তেওঁ কেন্দ্ৰটোত ষ্টাফ আৰ্টিষ্টৰূপে যোগদান কৰে। কিছু কাল আকাশবাণী মুম্বাই কেন্দ্ৰতো সেৱা আগবঢ়োৱাৰ পাছত তেওঁ আকাশবাণী ডিব্ৰুগড়লৈ প্ৰত্যাৱৰ্তন কৰে আৰু ২০০৮ চনত তেওঁ কেন্দ্ৰটোৰ পৰা অৱসৰ গ্ৰহণ কৰে।

যোৱা শতিকাৰ সপ্তম আৰু অষ্টম দশকত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত অতি জনপ্ৰিয় ভিন্নৰঙী অনুষ্ঠান **বৰ্ণালী**ৰো প্ৰধান উপস্থাপক আছিল চৈয়দ ছাদুল্লা।

**ঃভইচঃ**

পৰৱৰ্তী সময়ত শিল্পীগৰাকীয়ে গীত ৰচনা, সংগীত ৰচনা আৰু সুৰকাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰে আৰু আকাশবাণীৰ বাবে প্ৰায় ১৮০টা গীত ৰচনা কৰে। নাট বিভাগৰ এ গ্ৰেড শিল্পী আৰু গ্ৰেড ওৱান সংগীত সংৰচক হিচাপে স্বীকৃত চৈয়দ ছাদুল্লাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ হৈ ২০খনৰো অধিক অনাতাঁৰ আলেখ্য নিৰ্মাণ কৰে।

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত প্ৰথমখন আঞ্চলিক বাতৰিৰো পৰিবেশক আছিল চৈয়দ ছাদুল্লা। অৱসৰ গ্ৰহণৰ পাছত তেওঁ সন্মানীয় ডিস্কোভাৰী আৰু নেশ্যনেল জিঅ'গ্ৰাফীক চেনেলৰ সৈতে জড়িত হৈছিল আৰু ১০০ৰো অধিক তথ্যচিত্ৰত ইংৰাজীত কণ্ঠদান কৰিছিল। আজি দুপৰীয়া তেওঁৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ অনা হয় আৰু ইয়াত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে শিল্পীগৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধা নিবেদন কৰে। তেওঁৰ নশ্বৰ দেহ ডিব্ৰুগড়লৈ নিয়া হৈছে আৰু কাইলৈ ডিব্ৰুগড়ত তেওঁৰ জানাজা সম্পন্ন কৰা হ'ব।

ooooo

মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আজি শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়, যে মহিলাসকলে যাতে সমাজত সন্মান সহকাৰে জীয়াই থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এই আঁচনি ৰূপায়ণ কৰিছে। এই পদক্ষেপে মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলা আৰু গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ দিশত তেওঁলোকৰ ভূমিকা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

ড০ শৰ্মাই আজি শদিয়াৰ বৰপথাৰ গাঁৱত থকা সোণোৱাল কছাৰীসকলৰ পৱিত্ৰ স্থান খ্ৰীং খ্ৰীং বাইথো মন্দিৰত পূজা-অৰ্চনা কৰে।

মুখ্যমন্ত্ৰীয়ে আজি বিয়লি উত্তৰ লখিমপুৰৰ খেলমাটিত ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ডঃ ভূপেন হাজৰিকাৰ এটা ১৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। তেওঁ লগতে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শিৱমন্দিৰৰ পৰা নৰ্থ লখিমপুৰ কলেজ চাৰিআলিলৈ ২ কোটি ৮৭ লাখ টকাৰে নিৰ্মাণ কৰা পথছোৱা উদ্বোধন কৰে। কাইলৈ তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ডঃ শৰ্মাই লগতে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ ডুমডুমা বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব।

ooooo

ৰাজ্যত ২০০৮ চনৰ ৩০ অক্টোবৰত সংঘটিত উগ্ৰপন্থীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৭ বছৰ সম্পূৰ্ণ হৈছে। এই দিনটোতে গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত সংঘটিত বোমা বিস্ফোৰণত ৮০ জনৰো অধিক লোকে প্ৰাণ হেৰুৱাৰ উপৰি ৪০০ৰো অধিক লোক আহত হৈছিল। সেই ভয়াৱহ দিনটোৰ স্মৃতি সুঁৱৰি আজি গণেশগুৰিৰ উৰণ সেতুৰ তলত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত বোমা বিস্ফোৰণত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালৰ সদস্যসকলে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ত্ৰাসবাদৰ বিৰোধিতা কৰি আৰু বিস্ফোৰণত প্ৰাণ হেৰুওৱা সকললৈ শ্ৰদ্ধা জনাই অংকুৰণ ৱেলফেয়াৰ এছ'চিয়েচন নামৰ এটা সংস্থাই গণেশগুৰিত ৰক্তদান শিবিৰৰ আয়োজন কৰে। গুৱাহাটীৰ উকিল সন্থাৰ উদ্যোগতো আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা কেইবাগৰাকীও সতীৰ্থ অধিবক্তাক সুঁৱৰি এগৰাকী জ্যেষ্ঠ অধিবক্তাই আমাৰ সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট (অধিবক্তা)**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। তেওঁ বিস্ফোৰণত আহত প্ৰতিগৰাকী ব্যক্তি আৰু আপোনজনক হেৰুওৱা লোকসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

০০০০০

বিশ্বনাথ জিলাৰ গহপুৰৰ ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাত অহা ৮ নৱেম্বৰত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আধাৰশিলা স্থাপন কৰিবলগীয়া কনকলতা বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱিত স্থান আজি জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই পৰিদৰ্শন কৰে। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ কৰ্মস্থলী ভোলাগুৰিত ৭৪০ বিঘা ভূমি সামৰি এই বিশ্ববিদ্যালয়খন নিৰ্মাণ কৰা হ'ব। বিশ্ববিদ্যালয়খনত পৰম্পৰাগত বিষয়সমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, ৰবটিক চায়েন্স, থ্ৰী-ডি প্ৰিণ্টিঙকে ধৰি আধুনিক বিষয়সমূহ অন্তৰ্ভুক্ত হ'ব। মন্ত্ৰী হাজৰিকাই আজি নিৰ্মাণস্থলীত প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে চাহ জনগোষ্ঠীয় সংগঠনসমূহৰ সৈতে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, দিগন্ত ঘাটোৱালৰ উপৰি জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিক সামৰি অনুষ্ঠিত শুশ্ৰূষা সেতু শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ আজি ধেমাজি জিলাৰ জোনাইৰ গান্ধী ময়দান খেলপথাৰত অনুষ্ঠিত হয়। এই শিবিৰত ১৮ তলৰ ৩ হাজাৰৰো অধিক ল'ৰা-ছোৱালীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। জোনাইৰ বিধায়ক ভুবন পেগুৱে এই শিবিৰত অংশ লৈ ৰাজ্যজুৰি গ্ৰহণ কৰা এই আঁচনিখনৰ বিষয়ে ৰাইজক অৱগত কৰে। ৫০গৰাকী বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়োৱা এই শিবিৰত স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হয়। গোলাঘাট জিলাতো আজি শুশ্ৰূষা সেতু আঁচনিৰ অধীনত পঞ্চমটো বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। বোকাখাটত অনুষ্ঠিত এই শিবিৰত প্ৰায় ৬ হাজাৰ লোকে অংশ লয়। মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰা শিবিৰত ৪ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

ডিফুৰ চৰকাৰী বালক বিদ্যালয় খেলপথাৰতো আজি শুশ্ৰূষা সেতু আঁচনিৰ অধীনত স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ সদস্য সূৰ্য ৰংফাৰে জিলাখনৰ এই অন্তিমটো স্বাস্থ্য শিবিৰ মুকলি কৰে। এই শিবিৰত প্ৰায় দুহেজাৰ ল'ৰা-ছোৱালীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

০০০০০

তথ্য প্ৰযুক্তি, বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই আজি দিছপুৰত বিজ্ঞান প্ৰযুক্তি, লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসম ৰাজ্যিক বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ, পৰিসৰ, গুৱাহাটী বিজ্ঞান নগৰী প্ৰকল্প আৰু ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে গুৱাহাটী বিজ্ঞান নগৰীক লৈ বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় বিজ্ঞান প্ৰকল্পটো ডিচেম্বৰৰ শেষভাগলৈ উদ্বোধন কৰিব পৰাকৈ অন্তিম পৰ্যায়ৰ নিৰ্মাণ কাৰ্য খৰতকীয়াকৈ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

বিশ্বনাথ জিলাৰ গহপুৰৰ ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাত অহা ৮ নৱেম্বৰত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আধাৰশিলা স্থাপন কৰিবলগীয়া কনকলতা বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱিত স্থান আজি জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই পৰিদৰ্শন কৰে। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ কৰ্মস্থলী ভোলাগুৰিত ৭৪০ বিঘা ভূমি সামৰি এই বিশ্ববিদ্যালয়খন নিৰ্মাণ কৰা হ'ব। বিশ্ববিদ্যালয়খনত পৰম্পৰাগত বিষয়সমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, ৰবটিক চায়েন্স, থ্ৰী-ডি প্ৰিণ্টিঙকে ধৰি আধুনিক বিষয়সমূহ অন্তৰ্ভুক্ত হ'ব। মন্ত্ৰী হাজৰিকাই আজি নিৰ্মাণস্থলীত প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে চাহ জনগোষ্ঠীয় সংগঠনসমূহৰ সৈতে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, দিগন্ত ঘাটোৱালৰ উপৰি জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

নলবাৰী আৰক্ষীয়ে আজি বীৰ লাচিত সেনা নামৰ সংগঠনটোৰ পাঁচজন সদস্যক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা সদস্যকেইজন হৈছে সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ সভাপতি দিলীপ বৰ্মন, সাধাৰণ সম্পাদক নৱজিত বৰ্মন আৰু সদস্য প্ৰাঞ্জল বৰ্মন, পংকজ লোচন ডেকা আৰু আচিফুৰ জামান। ষট পূজা আৰু ৰাস মহোৎসৱত সংগীত পৰিৱেশনক লৈ এছ অ' পি জাৰি কৰাৰ অভিযোগত আৰক্ষীয়ে সদস্যকেইজনক গ্ৰেপ্তাৰ কৰে।

বৰপেটা আৰক্ষীয়েও আজি সংগঠনটোৰ তিনিজন সদস্যক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা সদস্যকেইজন হৈছে ছহিদুল বৰুৱা, লিটন আলী আৰু দিপাংকৰ তালুকদাৰ। দিপাংকৰ তালুকদাৰ সংগঠনটোৰ বৰপেটা জিলা সমিতিৰ সাংগঠনিক সম্পাদক আৰু লিটন আলী কাৰ্যালয় সম্পাদক আছিল। তিনিওজনৰ বিৰুদ্ধে বৰপেটাৰ থলুৱা আতচবাজী শিল্পৰ উদ্যোগীসকলক দাবী-ধমকি দিয়াৰ অভিযোগ উত্থাপিত হৈছিল। এই সন্দৰ্ভত বৰপেটা সদৰ আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হৈছে।

ইপিনে ডিব্ৰুগড় আৰক্ষীয়ে আজি সংগঠনটোৰ দুজন সদস্যক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে নামৰূপৰ পৰা প্ৰাণজিৎ গগৈ আৰু টেঙাখাটৰ পৰা ৰণ্টু চেতীয়া নামৰ সদস্য দুজনক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।

ooooo

বাক্সা জিলা প্ৰশাসনৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত জিলা দিৱস উদযাপন কৰা হয়। শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে কাৰ্যসূচী মুকলি কৰা হয়। জিলা দিৱস উপলক্ষে জিলা আয়ুক্ত গৌতম দাস আৰু আৰক্ষী অধীক্ষক উজ্বল প্ৰতীম বৰুৱাই চাইকেল সমদলৰ শুভাৰম্ভ কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা উলিওৱা এই সমদলত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি এটা মত বিনিময় কাৰ্যসূচীৰো আয়োজন কৰা হয়।

উল্লেখযোগ্য যে ২০০৩ চনৰ আজিৰ দিনটোতে বিটিচি চুক্তি অনুসৰি নলবাৰী, কামৰূপ আৰু বৰপেটা জিলাৰ কিছু অংশ সামৰি বাক্সা জিলা গঠন কৰা হৈছিল।

ooooo

বজালী জিলাৰ উচ্চশিক্ষাৰ অন্যতম প্ৰতিষ্ঠান ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত চৌহদটো আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰিদৰ্শন কৰে। মেধিকুছিত নিৰ্মাণৰত এই চৌহদ পৰিদৰ্শন কৰি ডাঃ পেগুৱে অহা বছৰৰ জানুৱাৰীত এই উন্নত শৈক্ষিক পৰিৱেশত বিশ্ববিদ্যালয়খনৰ নতুন শৈক্ষিক যাত্ৰা আৰম্ভ হ'ব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীক ভৱানীপুৰৰ বিধায়ক ফণীধৰ তালুকদাৰ, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ধনপতি ডেকা আৰু পঞ্জীয়ক মঞ্জিত দাসে সংগ দিয়ে।

ooooo

মহিলা আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ নৱী মুম্বাইৰ ডঃ ডি ৱাই পাটিল স্পৰ্টছ একাডেমী খেলপথাৰত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক জয়ৰ বাবে ৩৩৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩৮ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ফ'বি লিটছফিল্ডে সৰ্বাধিক ১১৯ ৰান কৰাৰ লগতে এছলে গাৰ্ডনাৰে ৬৩ ৰান কৰে। ভাৰতৰ নাল্লাপুৰেড্ডী চৰণী আৰু দিপ্তী শৰ্মাই দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে ক্ৰান্তি গৌড়, অমনজোত কৌৰ আৰু ৰাধা যাদৱে এটাকৈ উইকেট লাভ কৰে।

ooooo

অসমৰ কস্তুৰী শৰ্মাই আজাৰবাইজানৰ বাকুত অনুষ্ঠিত আই এফ এ বিশ্ব পাঞ্জা প্ৰতিযোগিতাত দুটা ৰূপৰ পদক লাভ কৰিছে। কস্তুৰী শৰ্মাই সোঁ আৰু বাঁও বাহু শিতানত এই পদক লাভ কৰে।

ooooo

সমাপ্ত